মোবাইল ফ্ৰেইণ্ডলি
অষ্টম বৰ্ষপূৰ্তিত
News Next Oneৰ
বিশেষ সংযোজন
অনলাইন দৈনিক

www.newsnextone.com
# e সংবাদ

Sacn to Donate
NEWSNEXTONE.COM

SUNDAY, SEPTEMBER 15, 2024 ■ দেওবাৰ।। ২৯ ভাদ, ১৯৪৬ শকাব্দ www.newsnextone.comৰ অনলাইন দৈনিক ■ প্ৰথম বছৰ, সংখ্যা ২৫৪ Guwahati, Assam ।। মূল্যঃ এটকা

## ৰাজ্যত নিবনুৱাৰ ভিৰ! পদ ১২ হাজাৰ, পৰীক্ষাৰ্থী ১১ লাখ

# ‘পৰীক্ষা হল’ত মোবাইল নিষিদ্ধ, বাহিৰত ইণ্টাৰনেট বন্ধ

ই-সংবাদ, ১৪ ছেপ্টেম্বৰঃ ৰাজ্যত দেওবাৰে অনুষ্ঠিত হ’ব সৰ্ববৃহৎ নিযুক্তি পৰীক্ষা। অসম চৰকাৰে তৃতীয় বৰ্গৰ নিযুক্তি পৰীক্ষা অনুষ্ঠিত কৰিব। এই পৰীক্ষা সুকলমে অনুষ্ঠিত কৰিবলৈ ৰাজ্য চৰকাৰৰ প্ৰশাসন তথা আৰক্ষী তৎপৰ হৈ পৰিছে। পৰীক্ষা হ’লৰ সমীপত নিৰাপত্তাৰক্ষী নিয়োগৰ ব্যৱস্থা কৰা হৈছে। 'পৰীক্ষা হল’ত মোবাইল নিষিদ্ধ কৰা হৈছে তাৰ লগতে সমগ্ৰ অসমত ইণ্টাৰনেট সেৱা ব্যাহত কৰা হ’ব। কাইলৈ প্ৰায় শেষাংশ ২ পৃষ্ঠাত



বিদায় কমৰেড! য়েছুৰীক সতীৰ্থৰ শেষশ্ৰদ্ধা

## জিতুৰ বিৰুদ্ধে অভিযোগ দাখিল সাংসদ ৰকিবুলৰ

ই-সংবাদ, চামগুৰি, ১৪ ছেপ্টেম্বৰঃ ধুবুৰীৰ সাংসদ তথা চামগুৰিৰ প্ৰাক্তন বিধায়ক ৰকিবুল হুছেইন আৰু বঢ়মপুৰৰ বিধায়ক জিতু গোস্বামীৰ মাজত আক্ৰমণ, শেষাংশ ৩ পৃষ্ঠাত



গুৱাহাটীত শ্ৰী শ্ৰী ৰুদ্ৰ মহাযজ্ঞত ৰাজ্যপাল লক্ষ্মণ আচাৰ্য

## ইউপিপিএল-বিপিএফৰ একত্ৰীকৰণৰ আলোচনাত যতি! জনালে প্ৰমীলাই

ই-সংবাদ, কোকৰাঝাৰ, ১৪ ছেপ্টেম্বৰঃ পুনৰ বিটিচিৰ ৰাজনীতিত হাগ্ৰামা মহিলাৰীৰ উত্থান আৰম্ভ হৈছে নেকি? বিটিচিৰ মুখ্য বিৰোধী দল বিপিএফৰ মুৰব্বী হাগ্ৰামা শেষাংশ ৪ পৃষ্ঠাত



## কচুতলিৰ বেদখলকাৰীক দিলে সময়

ই-সংবাদ, ১৪ ছেপ্টেম্বৰঃ গুৱাহাটী মহানগৰীৰ সমীপৱৰ্তী সোণাপুৰৰ কচুতলিৰ উচ্ছেদৰ ফলত উদ্ভৱ হোৱা পৰিস্থিতিৰ ফলত চেপা উত্তেজনা অব্যাহত আছে। শেষাংশ ৫ পৃষ্ঠাত

## সৰ্বাৰ সহযোগী হ’ব পীয়ুষ-জয়ন্ত!

ই-সংবাদ, ১৪ ছেপ্টেম্বৰঃ দাদা ব্ৰিগেডৰ দুই মুখ্য সদস্য মন্ত্ৰী পীয়ুষ হাজৰিকা আৰু জয়ন্তমল্ল বৰুৱা এতিয়াৰ শেষাংশ ৪ পৃষ্ঠাত

## ভুৱা এনকাউণ্টাৰ কিয় ইমান ভয়াৱহ?

ই-সংবাদ, ১৪ ছেপ্টেম্বৰঃ ৰাজ্যত প্ৰায়ে এনকাউণ্টাৰ সংঘটিত হয়। আৰক্ষীৰ গ্ৰেপ্তাৰ কৰা অভিযুক্তই আৰক্ষীৰ জিম্মাৰ পৰা পলাই সাৰিবলৈ প্ৰয়াস কৰে। সেই সময়ত আৰক্ষীয়ে অভিযুক্তক ৰখাবলৈ গুলী চলাই। গুলী গাত লাগি ঢলি পৰে অভিযুক্ত। এনে কাৰবাৰ বিগত তিনিটা বছৰ ধৰি দুৰ্বাৰ গতিত চলি আছে। অসমত এনে এনকাউণ্টাৰৰ সমৰ্থক আৰু বিৰোধী দুয়োটা পক্ষই আছে। কোৱা বাহুল্য যে সমৰ্থকসকল বেছিখিনিয়েই চৰকাৰৰ সমৰ্থক আৰু শেষাংশ ৩ পৃষ্ঠাত

### মুখ্যমন্ত্ৰীক ‘ট্ৰেডিঙৰ মাষ্টৰ’ আখ্যা

## উজনিত ক্ৰমাৎ সক্ৰিয় গৌৰৱ

ই-সংবাদ, যোৰহাট, ১৪ ছেপ্টেম্বৰঃ লোকসভা নিৰ্বাচনত বিজেপিক পৰাভূত কৰি দুগুন উৎসাহেৰে উজনিত সক্ৰিয় হৈ



আছে গৌৰৱ গগৈ। উজনিৰ প্ৰতিটো জাতি-জনগোষ্ঠীৰ পৰম্পৰাগত অনুষ্ঠান তথা বিভিন্ন শেষাংশ ৪ পৃষ্ঠাত

## আলফাক লৈ মুখ্যমন্ত্ৰীৰ পুনৰ মন্তব্য

■ সবিশেষ ৭ পৃষ্ঠাত

## সোণাপুৰৰ উচ্ছেদৰ ঘটনাক লৈ প্ৰতিক্ৰিয়া

■ সবিশেষ ৬ পৃষ্ঠাত চাওক

## মৰণোত্তৰ দেহদান, দিলে শেষ শ্ৰদ্ধা

■ সবিশেষ ৫ পৃষ্ঠাত

## হত্যাকাৰীক মৃত্যুদণ্ডৰ দাবীৰে উত্তাল চাবুৱা

■ সবিশেষ বাতৰি ৮ পৃষ্ঠাত চাওক

# মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাক সাক্ষাৎ অসম গোৰ্খা ছাত্ৰ সন্থাৰ নেতৃত্বৰ

**ই-সংবাদ, ১৪ ছেপ্টেম্বৰঃ** সদৌ অসম গোৰ্খা ছাত্ৰ সন্থাৰ এটা প্ৰতিনিধি দলে ৰাজ্যৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাক সাক্ষাৎ কৰি কেইবাটাও দাবী উত্থাপন কৰা বুলি জানিব পৰা গৈছে৷ সদৌ অসম গোৰ্খা ছাত্ৰ সন্থাৰ সভাপতি সুনীল ছেত্ৰী আৰু সাংগঠনিক সম্পাদক প্ৰকাশ কৈৰালাই অসমৰ গোৰ্খাসকলৰ বিভিন্ন সমস্যাৰ বিষয়ে অৱগত কৰিবলৈ মুখ্যমন্ত্ৰীক সাক্ষাৎ কৰে। চৰ চাপৰিত বসবাস কৰি অহা গোৰ্খাৰ সমস্যা সমাধান কৰিবলৈ দাবী জনায়৷ চাপৰিত বসবাস কৰি অহা গোৰ্খাৰ ইতিহাস মুখ্যমন্ত্ৰীক জমা দিবলৈ কয় মুখ্যমন্ত্ৰীয়ে। সংগঠনটোৱে দেশৰ হকে প্ৰাণ আহুতি দিয়া গোৰ্খাৰ স্বাধীনতা সেনানী, শ্বহীদসকলৰ অধ্যয়ন আৰু গৱেষণাৰ বাবে গোৰ্খা অধ্যয়ন কেন্দ্ৰ গঠনৰ আৱশ্যকতাৰ বিষয়ে অৱগত কৰে হিমন্ত বিশ্ব শৰ্মাক৷



মুখ্যমন্ত্ৰীক সাক্ষাতৰ সময়ত গোৰ্খা ছাত্ৰ সন্থাৰ নেতৃত্ব

■ প্ৰথম পৃষ্ঠাৰ পৰা...

## ‘পৰীক্ষা হল’ত মোবাইল নিষিদ্ধ

তিনি-চাৰিঘণ্টা সমগ্ৰ অসমতে কৰ্তন কৰা হ’ব ইণ্টাৰনেট সেৱা। পুৱা ১০ বজাৰ পৰা দিনৰ ১ বাজি ৩০ মিনিটলৈ মোবাইল ইণ্টাৰনেট, মোবাইল ডাটা, মোবাইল ৱাই-ফাই সেৱা বন্ধ থাকিব। অৱশ্যে ভইচ কল আৰু ব্ৰডবেণ্ড সেৱা অব্যাহত থাকিব। অসম চৰকাৰৰ গৃহ আৰু ৰাজনৈতিক বিভাগে এক নিৰ্দেশনাযোগে এই কথা প্ৰকাশ কৰিছে। ADREৰ তৃতীয় বৰ্গৰ লিখিত পৰীক্ষা বিসংগতিপূৰ্ণভাৱে অনুষ্ঠিত কৰিবলৈ এই সিদ্ধান্ত গ্ৰহণ কৰিছে ৰজ্য চৰকাৰে। কিন্তু প্ৰশ্ন হৈছে ভাৰতীয় টেলিগ্ৰাফ আইন-১৮৮৫ৰ অৱমাননা কৰিলে নেকি চৰকাৰে? ভাৰতীয় টেলিগ্ৰাফ আইন-১৮৮৫ৰ ৫নং ধাৰাৰ ২ নং দফা মতে, কোনো জৰুৰীকালীন পৰিস্থিতিত বা জনসাধাৰণৰ সুৰক্ষাৰ স্বাৰ্থতহে কেন্দ্ৰীয় চৰকাৰ বা ৰাজ্য চৰকাৰ ইণ্টাৰনেট সেৱা ব্যাহত কৰিব পাৰিব৷ যদি সাৰ্বজনীন জৰুৰীকালীন পৰিস্থিতি অব্যাহত থাকে বা সাৰ্বজনীন সুৰক্ষাৰ বাবে এনে কৰাটো আৱশ্যক৷ দেশৰ সাৰ্বভৌমত্ব, অখণ্ডতা, বিদেশী ৰাষ্ট্ৰৰ উচটনিমূলক বক্তব্য প্ৰেৰণ আৰু গ্ৰহণৰ ক্ষেত্ৰত বাধা আৰোপ কৰিব পাৰে৷ কিন্তু নিযুক্তিৰ পৰীক্ষাত জৰুৰীকালীন পৰিস্থিতিৰ উদ্ভৱ হ’ব পাৰে নে? নিশ্চয়কৈ নোৱাৰে৷ তেন্তে ইণ্টাৰনেট সেৱা ব্যাহত কৰাৰ প্ৰয়োজন কি? এয়া প্ৰকৃততে পাব্লিচিটি ষ্টান্ত নেকি চৰকাৰৰ? নিযুক্তি পৰীক্ষাৰ প্ৰাৰ্থীয়ে পৰীক্ষাগৃহলৈ মোবাইল ফোন লৈ যাব নোৱাৰাৰ কঠোৰ নিৰ্দেশনা জাৰি কৰি থৈছেই৷ আকৌ ইণ্টাৰনেট সেৱা ব্যাহত কৰাৰ প্ৰয়োজন আছিল জানো বুলি বহুতে সামাজিক মাধ্যম যোগে প্ৰশ্ন কৰিবলৈ আৰম্ভ কৰিছে৷ ইণ্টাৰনেট সেৱা কৰ্তন কৰি ক্ষমতাৰ অপব্যৱহাৰৰ ফলত বৃহৎ ব্যৱসায়িক লোকচান হোৱাৰ লগতে জনসাধাৰণ হাৰাশাস্তিৰ সন্মুখীন হয়৷ এক তথ্য মতে, ইণ্টাৰনেট সেৱা বন্ধ হ’লে প্ৰতিটো চাৰ্কোলত প্ৰতি ঘণ্টাত ২ কৌটি ৫৪ লাখ টকা লোকচান হয়৷ ইণ্টাৰনেটৰ ওপৰত নিৰ্ভৰশীল ব্যৱসায় ৫০ শতাংশ হ্ৰাস পায়৷ ইফালে কাইলৈ অনুষ্ঠিত হ’বলগীয়া উচ্চতৰ মাধ্যমিক পৰ্যায়ৰ তৃতীয় বৰ্গৰ নিযুক্তি পৰীক্ষাত ১১,২৩,২০৪ গৰাকী প্ৰাৰ্থী অৱতীৰ্ণ হ’ব। এই পৰীক্ষাই ৰাজ্যৰ ভয়াবহ নিবনুৱা সমস্যাৰ কথা উদঙাই দিছে৷ তৃতীয় বৰ্গৰ চাকৰিৰ বাবে প্ৰায় ১২ লাখ নিবনুৱাই আবেদন কৰা ৰাজ্যখনত নিবনুৱা সমস্যাই যে ভয়াৱহ ৰূপ ধাৰণ কৰিছে সেয়া স্পষ্ট হৈ পৰিছে বুলিও ভিন্নজনে মন্তব্য কৰা দেখা গৈছে৷ ৰাজ্য চৰকাৰে ১ লাখ চাকৰি দিয়াৰ কথা কৈ আহিলেও নিবনুৱা সমস্যা সমাধান কৰিবলৈ অন্য কোনো পন্থা গ্ৰহণ কৰিব লাগিব সেয়া ধ্ৰুপ৷ উল্লেখ্য যে, ৰাজ্যৰ ২৮ খন জিলাত ২৩০৫টা কেন্দ্ৰত পৰীক্ষাত বহিব আবেদনকাৰী৷ ৪৩৯ টা পৰীক্ষা কেন্দ্ৰ স্পৰ্শ কাতৰ বুলি চিনাক্ত কৰিছে আৰক্ষীয়ে৷ ১২ হাজাৰৰো অধিক পদৰ বাবে ১১ লাখ ২৩ হাজাৰ ২০৪ গৰাকী প্ৰাৰ্থী অৱতীৰ্ণ হ’ব। বিধানসভাত গৃহত হোৱাৰ লগতে কাৰ্যকৰী হোৱা অসৎ উপায় প্ৰতিৰোধী ব্যৱস্থা আইন-২০২৪ অনুসৰি কোনো পৰীক্ষাৰ্থীয়ে অসৎ উপায় অৱলম্বন কৰিলে ৩ বছৰৰ পৰা ১০ বছৰ পৰ্যন্ত জেইল হ’ব পাৰে। ১ লাখৰ পৰা ১ কোটি পৰ্যন্ত জৰিমনা ভৰিবলগীয়া হ’ব পাৰে। স্মৰ্তব্য যে ইয়াৰ পূৰ্বে অনুষ্ঠিত নিযুক্তি পৰীক্ষাতো মুখ্যমন্ত্ৰীৰ নিৰ্দেশত প্ৰশাসনে ইণ্টাৰনেট সেৱা বন্ধ কৰি দিছিল।

প্ৰথম পৃষ্ঠাৰ পৰা...

# ভুৱা এনকাউণ্টাৰ কিয় ইমান

শাসকীয় দলৰ সমৰ্থকা তেনে এক কাউণ্টাৰ কাণ্ড সংঘটিত হৈছিল উজনি অসমৰ তিনিচুকীয়া জিলাৰ শদিয়া চপাখোৱাত৷ ২০২৩ চনৰ ২৩ ডিচেম্বৰত শদিয়া চপাখোৱাৰ তিনি যুৱক বিশ্বনাথ বৰগোঁহাই, দ্বীপজ্যোতি নেওগ আৰু মনোজ বুঢ়াগোঁহায়ে বনভোজ খাই নিজ গৃহলৈ উভতি আহি আছিল৷ আধবাটত পাই আৰক্ষীয়ে৷ আৰক্ষীয়ে তিনি যুৱকক আলফাৰ সন্দেহত আটক কৰি পাছত একেই পেটাৰ্ণত এনকাউণ্টাৰ কৰে৷ দীৰ্ঘকালীন চিকিৎসাৰ অন্তত তিনি যুৱকৰ জীৱন ৰক্ষা পৰে যদিও চিৰ জীৱনৰ বাবে ঘূণীয়া হয়৷ কাম-বান কৰাৰ সক্ষমতা হেৰুৱাই পেলোৱাৰ লগতে পৰিয়ালৰ বাবে যুৱককেইজন অভিশাপ হৈ পৰিছে৷ ইতিমধ্যে তিনি যুৱকে তদানীন্তন আৰক্ষী অধীক্ষক, থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়াৰ বিৰুদ্ধে গোচৰ ৰুজু কৰিছে৷ কিন্তু গোচৰৰ তদন্ত কি পৰ্যায় পাইছে সেই সন্দৰ্ভত কোৱা টান৷  নতুন পেটাৰ্ণৰ এনকাউণ্টাৰে তিনি যুৱকক ঘূণীয়া কৰিলে৷ কিন্তু নীৰৱে আছে অসমৰ জাতীয় সংগঠনসমূহ৷ তেওঁলোকক ন্যায় দিবলৈ কোনোধৰণৰ তৎপৰতা দেখুওৱা নাই৷ এনকাউণ্টাৰে ঘূণীয়া কৰা বিশ্বনাথ বৰগোঁহাই, দ্বীপজ্যোতি নেওগ আৰু মনোজ বুঢ়াগোঁহাইৰ দায়িত্ব এতিয়া কোনো ল'ব৷ যিসকল এনকাউণ্টাৰ কাণ্ডত ডড়িত আছিল সেইসকলক চিনাক্ত কৰি শাস্তি বিহা হ'ব নে নাই সেয়া নিশ্চিত নহয়৷ যি আৰক্ষীয়ে মানুহক সুৰক্ষা দিব সেই আকৰক্ষীৰ গুলীয়াত তিনি যুৱক ঘূণীয়া হ'বলগীয়া হৈছে৷ ইয়াৰ মাজতে প্ৰাক্তন বিধায়ক তথা অসম জাতীয় পৰিষদৰ নেতা জগদীশ ভূঞা সৰৱ হৈছে৷ পৰিয়ালকেইটাক ন্যায় প্ৰদানৰ বাবে সকলো প্ৰকাৰৰ সহায় কৰাৰ আশ্বাস প্ৰদান কৰিছে জগদীশ ভূএগ্রাই৷ জগদীশ ভূঞা লগতে অসম আৰক্ষীক সতৰ্ক কৰি কৈছে যে আৰক্ষীয়ে মুখ্যমন্ত্ৰীৰ এই পেটাৰ্ণৰ পৰা আতৰি থাকিব লাগে৷ জগদীশ ভূএগ্রাই ফেচবুকত দিয়া এটা পোষ্টত কয় ‘‘ভুৱা এনকাউণ্টাৰৰ বিভীষিকা৷ শদিয়া চপাখোৱাৰ তিনিজন যুৱক ক্ৰমে বিশ্বনাথ বৰগোঁহাই, দ্বীপজ্যোতি নেওগ আৰু মনোজ বুঢ়াগোঁহাই বনভোজৰ পৰা নিজ গৃহলৈ উভতাৰ পথত ২০২৩ চনৰ ২৩ ডিচেম্বৰ তাৰিখে নিৰাপত্তা বাহিনীয়ে গ্ৰেপ্তাৰ কৰে আৰু তাৰ পৰৱৰ্তী সময়ত ভুৱা আলফা সজাই আৰক্ষীৰ অস্ত্ৰ কাঢ়ি পলায়নৰ চেষ্টা কৰা বুলি কৈ তিনিওজন যুৱকক আৰক্ষীয়ে ভৰিত গুলিয়াই সম্ভাৱনা পূৰ্ণ তিনিজন সুঠাম যুৱকক চিৰ দিনলৈ ঘুনীয়া কৰে। এই ঘটনাত সেই সময়ৰ শদিয়াৰ আৰক্ষী অধীক্ষকো জড়িত আছিল বুলি যুৱক কেইজনে ইতিমধ্যে থানাত অভিযোগ দাখিল কৰিছে কিন্তু এই পৰ্যন্ত এই গোচৰ পঞ্জীয়ন কৰা নাই বুলি জানিব পৰা গৈছে। ইতিমধ্যে অসমত সংঘটিত ভুৱা এনকাউণ্টাৰ সম্পৰ্কে অধিবক্তা আৰিফ জোৱাদ্দাৰে তৰা এটা গোচৰ মহামান্য উচ্চতম ন্যায়ালয়ে গ্ৰহণ কৰিছে আৰু ৰাজ্য চৰকাৰক জাননী জাৰি কৰিছে আৰু এই গোচৰত শদিয়াৰ এই তিনিজন যুৱকৰ প্ৰসংগও সংযোজিত হৈ আছে। এখন নিৰ্বাচিত চৰকাৰে কি দৰে ভুৱা অভিযোগ জাপি দি তিনিজন সুঠাম আৰু সম্ভাৱনাপূৰ্ণ যুৱকক গুলিয়াই চিৰ দিনৰ বাবে ঘুনীয়া কৰিব পাৰে। মই পৰিয়ালক অনুৰোধ জনাইছো, আপোনালোকে যুঁজ দিয়ক, হাৰ নামানিব। মই চিনি নোপাৱা ৫ জন যুৱকক ন্যায় দিবৰ বাবে ৩০ বছৰ ৪ মাহ যুঁজিছো, আপোনালোকে নিজৰ সন্তানৰ বাবে যুঁজক, মইও লগত থাকিম। মই আগতেও বহুবাৰ ৰাজহুৱা ভাবে কৈছো, আৰক্ষী বিষয়া সকলে লক্ষ্মন ৰেখা মানি চলক, নিয়মৰ বাহিৰত কাম নকৰিব, সকলোৱে অত্যাচাৰী শাসকক ভয় কৰে বুলি নাভাবিব। মুখ্যমন্ত্ৰীয়ে নিজৰ ৰাজনৈতিক লাভালাভৰ বাবে নিয়ম বহিৰ্ভূত ভাবে এটা পেটাৰ্ণ আপোনালোকক দিছে, আপোনালোকে নিজকে প্ৰভুভক্ত প্ৰমান কৰিবলৈ ওভতগোৰে নানাচিব, যেতিয়া বিপদত পৰিব আৰু জীৱনৰ আধা সময় অৱসৰৰ পিছতো আদালতলৈ দৌৰি থাকিব তেতিয়া মুখ্যমন্ত্ৰীৰ আসনত হিমন্ত বিশ্ব শৰ্মাও নাথাকে আৰু আপোনালোকক সহায়ো নকৰে, নিজৰ নেগুৰৰ জুই নিজৰ মুখেৰে নুমুৱাব লাগিব আৰু মুখ পুৰিব। এইটো সকলোৱে মনত ৰাখক৷’’

প্ৰথম পৃষ্ঠাৰ পৰা...

# জিতুৰ বিৰুদ্ধে অভিযোগ

প্ৰতি-আক্ৰমণ অব্যাহত আছে৷ চামগুৰি সমষ্টিত অনুষ্ঠিত হ'বলগীয়া উপ-নিৰ্বাচনত ৰকিবুল হুছেইনৰ পুত্ৰ তাঞ্জিল হুছেইনে প্ৰতিদ্বন্দ্বিতা কৰিব বুলি প্ৰচাৰ হৈ থকাৰ সময়তে বঢ়মপুৰৰ বিধায়ক জিতু গোস্বামীয়ে সমষ্টিতটোত সক্ৰিয় হৈছে৷ তেনে সময়তে বিধায়ক জিতু গোস্বামীয়ে ৰকিবুল হুছেইন আৰু পুত্ৰ তাঞ্জিল হুছেইনক ভাবুকি প্ৰদান কৰাৰ অভিযোগ উত্থাপন হৈছে৷ জিতু গোস্বামী মোৰ মতে চামগুৰিৰ বিষয়া-কৰ্মচাৰী চলে বুলি কৈ পোনে পোনে ৰকিবুল হুছেইন আৰু পুত্ৰ তাঞ্জিল হুছেইনক ভাবুকি দিয়াৰ অভিযোগ আনি ৰকিবুল হুছেইনে স্থানীয় আৰক্ষী থানাত লিখিত অভিযোগ দাখিল কৰিছে৷ এইবাৰ জিতু গোস্বামীৰ বিৰুদ্ধে আৰক্ষী অধীক্ষকক অভিযোগ দাখিল কৰিছে সাংসদ হুছেইনে। হুছেইনে কংগ্ৰেছৰ কেইবাগৰাকী নেতা-নেত্ৰীক লগত লৈ আজি নগাঁও সদৰত আৰক্ষী অধীক্ষকৰ কাৰ্যালয়ত উপস্থিত হৈ আৰক্ষী অধীক্ষকক লিখিত অভিযোগ দাখিল কৰে৷ সাংসদ হুছেইনে জিতু গোস্বামীৰ বিৰুদ্ধে চামগুৰিত সন্ত্ৰাস চলোৱাৰ অভিযোগ আনে। হুছেইনে আৰু কয় ‘‘মোক যদি বলিয়া কুকুৰে ভৌ-ভৌ কৰি আহে, মইতো ভয় কৰিমেই। বিধায়ক জিতু গোস্বামীৰ ভয়ত কম্পমান নহয় ৰকিবুল৷ বলিয়া কুকুৰে কামোৰাৰ ভয়তহে মই কম্পমান আৰু এতিয়া ভয়ো নকৰো৷ প্ৰতিশেধক বেজি লৈহে চামগুৰিত উপস্থিত হৈছো। জিতু গোস্বামীক কটাক্ষ কৰি আলফা লৈকে ভয় নকৰিলো, এতিয়া আৰু তেওঁলৈ ভয় কৰিম নেকি বুলিও কয় ৰকিবুল হুছেইনে৷ উল্লেখ্য যে, ৰকিবুল হুছেইন আৰু জিতু গোস্বামীৰ বাক যুদ্ধই ব্যক্তিগত পৰ্যায় পাইছেগৈ৷ বিধায়ক জিতু গোস্বামীৰ বিৰুদ্ধে সাংসদ ৰকিবুল হুছেইনে গোচৰ তৰাৰ পাছতে জিতু গোস্বামীয়ে ২০০ কোটি টকাৰ মানহানি গোচৰ ৰুজু কৰাৰ হুংকাৰ দিছিল। তেতিয়া হুছেইনে মানহানিৰ গোচৰ তৰাৰ সাহস নাই বুলি কৈছিল৷ লগতে জিতু গোস্বামীক প্ৰত্যাহ্বান জনাই জিতু গোস্বামীৰ বিৰুদ্ধে বেংকে জাৰি কৰা জাননী, চিবিআইৰ গোচৰ থকাৰ কথা উল্লেখ কৰিছিল হুছেইনে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# উজনিত ক্ৰমাৎ সক্ৰিয় গৌৰৱ

কাৰ্যসূচীত অংশ লৈ উজনি অসমত কংগ্ৰেছৰ ভেটি শক্তিশালী কৰিবলৈ যৎপৰনাস্তি প্ৰয়াস কৰি গৈছে৷ আজি গৌৰৱ গগৈয়ে যোৰহাটত চাহ জনগোষ্ঠীৰ পবিত্ৰ উৎসৱ কৰম পূজাত অংশগ্ৰহণ কৰি নৃত্য কৰা দেখা যায়৷ যোৰহাটৰ চিনামৰা চাহ বাগিচাৰ হনুমান মন্দিৰ প্ৰাংগনত অনুষ্ঠিত কৰম পূজাত চাহ জনগোষ্ঠীৰ যুৱ প্ৰজন্মৰ সৈতে মত-বিনিময় কৰে। কৰম পূজাত অংশ লৈ গৌৰৱ গগৈয়ে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা আৰু বিজেপি চৰকাৰক লক্ষ্য কৰি লয়৷ ট্ৰেডিং কেলেংকাৰীক লৈ গৌৰৱ গগৈয়ে আক্ৰমণ কৰে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাক৷ গৌৰৱ গগৈয়ে কয় যে নম্বৰ ৱান ট্ৰেডিং কৰা ব্যক্তিজনেই হৈছে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা৷ ইমানে নহয় গগৈয়ে চৰকাৰ উভতি ধৰি গৃহ বিভাগৰ দায়িত্ব তেওঁক দিবলৈ আহ্বান জনাই হিমন্ত বিশ্ব শৰ্মাক৷ সাংসদ গগৈয়ে কয় “গৃহ বিভাগৰ দায়িত্ব মোক দিয়ক৷ ট্ৰেডিং আৰু ছিণ্ডিকেটৰ সৈতে জড়িত সকলক এদিনৰ ভিতৰতে ধৰি দেখুৱাম।” আনহাতে, গৌৰৱ গগৈয়ে সোণাপুৰৰ উচ্ছেদক লৈ প্ৰতিক্ৰিয়া প্ৰকাশ কৰে৷ মুখ্যমন্ত্ৰী আৰু বিজেপি নেতাই কচুতলিৰ ঘটনাত বিৰোধী জড়িত বুলি কৰা অভিযোগৰ প্ৰত্যুত্তৰ দি গৌৰৱ গগৈয়ে কয় যদি প্ৰমাণ আছে দিয়ক। যদি বিৰোধী দলপতি দেৱব্ৰত শইকীয়াই দিয়া উচটনিমূলক মন্তব্যৰ বাবে সোণাপুৰ উচ্ছেদকাণ্ডত অপ্ৰীতিকৰ পৰিস্থিতি উদ্ভৱ হৈছে তেন্তে মুখ্যমন্ত্ৰীয়ে প্ৰমাণ দিয়ক। আৰক্ষী উপস্থিত থকাৰ পিছতো ইমান মানুহে যাঠি-জোং কৰ পৰা পালে বুলিও প্ৰশ্ন উত্থাপন কৰে গগৈয়ে৷ চাহ জনগোষ্ঠীৰ সমস্যাৰ কথা শুনি কেগৰ প্ৰতিবেদনৰ কথা উল্লেখ কৰে৷ কেগৰ প্ৰতিবেদনত চাহ জনগোষ্ঠীৰ বাবে ৰূপায়ন কৰা আঁচনিসমূহত ব্যাপক অনিয়ম হোৱাৰ কথা উল্লেখ থকা বুলি কৈ চৰকাৰক তীব্ৰ সমালোচনা কৰে গৌৰৱ গগৈয়ে৷ তেওঁ আৰ্থিকভাৱে পিছপৰা জনগোষ্ঠীটোক চৰকাৰে গুৰুত্ব নিদিয়াৰো অভিযোগ কৰে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# ইউপিপিএল-বিপিএফৰ একত্ৰী

মহিলাৰীৰ শক্তি বৃদ্ধি পোৱা পৰিলক্ষিত হৈছে৷ ইউপিপিএল আৰু বিপিএফৰ একত্ৰীকৰণক লৈ ব্যাপক জল্পনা-কল্পনা অব্যাহত আছে যদিও বিপিএফ দললৈ বিৰোধী দলৰ নেতাৰ সোঁত অব্যাহত আছে৷ আজি কোকৰাঝাৰত অনুষ্ঠিত বিপিএফৰ বিশাল যোগদান সমাৰোহত ২৭৬ পুৰুষ মহিলাই আনুষ্ঠানিক ভাৱে বিপিএফ দলত যোগদান কৰে৷ কোকৰাঝাৰস্থিত বিপিএফৰ দলৰ কেন্দ্ৰীয় মুখ্য কাৰ্যালয়ত অনুষ্ঠিত যোগদান সমাৰোহত ২৭৬গৰাকী নেতা-কৰ্মীক আৰনাইৰে আদৰণি জনায় বিপিএফ নেতৃত্বই৷ বিপিএফ দলত যোগদান কৰা সকলোকে আদৰণি জনাই বিপিএফৰ জ্যেষ্ঠ নেত্ৰী প্ৰমিলা ৰাণী ব্ৰহ্মই কয় যে এয়া বিপিএফ দলৰ প্ৰতি থকা ৰাইজৰ মৰম আৰু আস্থাকে সূচাইছে৷ হাগ্ৰামা মহিলাৰী নেতৃত্বাধীন বিপিএফ দলক অধিক শক্তিশালী কৰাৰ বাবে আজি কোকৰাঝাৰত সদলবলে যোগদান কৰাটো বিপিএফ দলৰ বাবে শুভলক্ষণ বুলি মন্তব্য কৰে৷ বড়োভূমিৰ ৰাজনীতিত একত্ৰীকৰণক লৈ বিপিএফ দলৰ কোনো দ্বি-মত নাই বুলি উল্লেখ কৰি একত্ৰীকৰণৰ আলোচনা প্ৰক্ৰিয়া সদ্যহতে আগবঢ়া নাই বুলি তাপতৰ্যপূৰ্ণ মন্তব্য কৰিছে প্ৰমীলা ৰাণী ব্ৰহ্মই৷ বিপিএফৰ কেন্দ্ৰীয় উপ-সভানেত্ৰী তথা প্ৰাক্তন মন্ত্ৰী প্ৰমিলা ৰাণী ব্ৰহ্মৰ উপস্থিতিত অনুষ্ঠিত সমাৰোহত জিলা বিপিএফৰ সভাপতি তথা পাৰিষদ দেৰহাছাৎ বসুমতাৰী, যুৱ বিপিএফৰ কেন্দ্ৰীয় সম্পাদক কাষ্টম বসুমতাৰী আৰু মহিলা কোষৰ নেতৃত্ববৃন্দ উপস্থিত থাকে৷ উল্লেখ্য যে একত্ৰিকৰণ প্ৰসংগই ভিতৰি গৰম কৰি তুলিছে বিটিচিৰ ৰাজনীতি।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# সৰ্বাৰ সহযোগী হ’ব পীয়ুষ

পৰা সহযোগী হৈ থাকিব সৰ্বানন্দ সোণোৱালৰ৷ কংগ্ৰেছৰ পৰা একেলগে আহি বিজেপিৰ হিমন্ত বিশ্ব শৰ্মা মুখ্যমন্ত্ৰী হৈছে আৰু পীয়ুষ হাজৰিকা আৰু জয়ন্তমল্ল বৰুৱাই মন্ত্ৰী হৈ আছে৷ হিমন্ত বিশ্ব শৰ্মাৰ দুই অত্যন্ত বিশ্বাসী সহযোগী পীয়ুষ হাজৰিকা আৰু জয়ন্তমল্ল বৰুৱা এতিয়াৰ পৰা সৰ্বানন্দ সোণোৱালাৰ সহযোগী হৈ থাকিব৷ কিয়নো সৰ্বানন্দ সোণোৱাল সভাপতি হৈ থকা সংগঠনত উপ-সভাপতি হিচাপে দায়িত্ব লাভ কৰিছে৷ আজি অসম অলিম্পিক সন্থাৰ সভাপতি পদত বিনা প্ৰতিদ্বন্দ্বিতাৰে পুনৰ সভাপতি পদ লাভ কৰিছে কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে। আগৰ বাৰৰ দৰেই কেন্দ্ৰীয় মন্ত্ৰী সোণোৱালে অসম অলিম্পিক সন্থাৰ নিৰ্বাচনত বিনা প্ৰতিদ্বন্দ্বিতাৰে জয়ী হয়। ক্ৰীড়া সংগঠনসমূহক ৰাজনৈতিক প্ৰভাৱৰ পৰা মুক্ত কৰাৰ কথা কোৱা হয় যদিও ৰাজনৈতিক হস্তক্ষেপৰ পৰা মুক্ত নহয়। সেই কথাই পুনৰ বাৰ প্ৰমাণ হ’ল৷ অসম অলিম্পিক সন্থাৰ সভাপতি পদত সৰ্বানন্দ সোণোৱাল থকাৰ সমানে উপ-সভাপতি পদ লাভ কৰিছে মন্ত্ৰী পীয়ুষ হাজৰিকা, জয়ন্ত মল্লবৰুৱা আৰু নন্দিতা গাৰ্লোছাই৷ কিয়নো বাকী প্ৰতিদ্বন্দ্বীসকলে মনোনয়ন প্ৰত্যাহাৰ কৰিছে৷ সাধাৰণ সম্পাদকৰ পদত নিৰ্বাচন অনুষ্ঠিত হ’ব৷ কিয়নো লক্ষ্য কোঁৱৰৰ লগতে আন কেইবাগৰাকী লোকে মনোনয়ন দাখিল কৰিছে যদিও মনোনয়ন প্ৰত্যাহাৰ কৰা নাই৷ সাধাৰণ সম্পাদক, কোষাধ্যক্ষ, যুটীয়া সম্পাদক আৰু কাৰ্যনিৰ্বাহকৰ পদকেইটাৰ বাবেহে নিৰ্বাচন অনুষ্ঠিত হ’ব৷ সহকাৰী সম্পাদকৰ পদৰ ৮গৰাকী প্ৰাৰ্থী বিনা প্ৰতিদ্বন্দ্বিতাৰে নিৰ্বাচিত হৈছে৷ অসম অলিম্পিক সন্থাৰ কাৰ্যনিৰ্বাহক সমিতিখন ৰাজনৈতিক প্ৰভাৱত গঠন হোৱা বুলি কব পাৰি৷ কিয়নো ৰাজনৈতিক প্ৰভাৱ খটুৱাই হেঁচা প্ৰয়োগ কৰাৰ ফলতে বহু লোকে মনোনয়ন প্ৰত্যাহাৰ কৰাৰ অভিযোগ উঠিছে৷ ৰাজনৈতিক প্ৰভাৱৰ ফলতে পুনৰবাৰ অসম অলিম্পিক সন্থাৰ সমিতি গঠন কৰা হ’ল৷ ২২ ছেপ্টেম্বৰত ডিব্ৰুগড়ত অসম অলিম্পিক সন্থাৰ নিৰ্বাচন অনুষ্ঠিত হ’ব। বৃহস্পতিবাৰে মনোনয়ন প্ৰত্যাহাৰৰ অন্তিম দিন আছিল৷ বহু প্ৰাৰ্থীয়ে মনোনয়ন প্ৰত্যাহাৰ কৰাত শীৰ্ষ পদসমূহত বিনা প্ৰতিদ্বন্দ্বিতাৰে নিৰ্বাচিত হয়।

## অন্তিম ইচ্ছা অনুযায়ী দিল্লীৰ এইমছত মৰণোত্তৰ দেহদান সম্পন্ন

# জ্যেষ্ঠ বাওপন্থী নেতা য়েছুৰীক সতীৰ্থৰ শেষ বিদায়

**নতুন দিল্লী, ১৪ ছেপ্টেম্বৰঃ** জ্যেষ্ঠ বামপন্থী নেতা তথা ভাৰতীয় কমিউনিষ্ট পাৰ্টিৰ (মাৰ্ক্সবাদী) সাধাৰণ সম্পাদক সীতাৰাম য়েচুৰীক আজি শেষ বিদায় জনাই হাজাৰ হাজাৰ লোকে৷ তেওঁৰ নশ্বৰদেহ আজি অন্তিম শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিবলৈ দলৰ মুখ্য কাৰ্যালয়লৈ অনা হৈছিল৷ য'ত সকলো স্তৰৰ লোক আৰু পৰিয়াল, বন্ধুবৰ্গ, শুভকাংক্ষী আৰু সহকৰ্মীসকলে আজি শেষ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। আবেলি ৩:৩০ বজাত শেষবাৰৰ বাবে দলৰ কাৰ্যালয়ৰ পৰা শৰীৰটো নি পৰিয়ালৰ উপস্থিতিত দিল্লীৰ এইমছত দান কৰা হয়৷ অল ইণ্ডিয়া ইনষ্টিটিউট অৱ মেডিকেল চাইন্সেছলৈ তেওঁৰ ইচ্ছা অনুসৰি শৰীৰটো চিকিৎসা গৱেষণাৰ বাবে দান কৰা হয়। আজি প্ৰথমে নশ্বৰ দেহৰ সৈতে চৈধ্য অশোক ৰোডলৈ নিয়া হৈছিল৷ য'ত চিপিআই(এম) কেন্দ্ৰীয় সমিতিৰ পূৰ্বৰ কাৰ্যালয় আছিল। যিটো কাৰ্যালয়ত ১৯৮৪ চনত ৩২ বছৰীয়া য়েচুৰীয়ে প্ৰথমবাৰৰ বাবে দলৰ সৰ্বোচ্চ সিদ্ধান্ত গ্ৰহণকাৰী সংস্থাত যোগদান কৰিছিল। য়েচুৰীৰ ৭২ তম জন্মদিন উদযাপনৰ এমাহ পিছত ১২ ছেপ্টেম্বৰত মৃত্যু হয়। মৃত্যুৰ এদিন পিছত মৃতদেহ বাসগৃহলৈ নিয়াৰ পূৰ্বে প্ৰথম ৰাজনৈতিক ঘৰ জৱাহৰলাল নেহৰু বিশ্ববিদ্যালয়লৈ নিয়া হৈছিল। শনিবাৰে তেওঁৰ নশ্বৰ দেহ দিল্লীৰ একে জি ভৱনত থকা দলৰ মুখ্য কাৰ্যালয়লৈ অনা হয়। কংগ্ৰেছৰ সংসদীয় দলৰ অধ্যক্ষ দল ছোনিয়া গান্ধী শেষ শ্ৰদ্ধাঞ্জলি জনোৱা সকলৰ ভিতৰত প্ৰথম আছিল। জয়ৰাম ৰমেশ, অজয় মাকেন, শচীন পাইলট, অশোক গেহলট আৰু ৰাজীৱ শুক্লাকে ধৰি আন কেইবাজনো কংগ্ৰেছ নেতাই শেষ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। আম আদমী পাৰ্টিৰ মনীষ চিছোদিয়া, সঞ্জয় সিং, গোপাল ৰায় আৰু ৰাঘৱ চাধাকে ধৰি শীৰ্ষ নেতৃত্ব সকলে শেষ শ্ৰদ্ধাঞ্জলি যাচে। সমাজবাদী পাৰ্টিৰ সভাপতি অখিলেশ যাদৱ, দ্ৰাবিড় মুন্নেত্ৰা কাঝাগমৰ নেতা উদয়নিধি ষ্টালিন আৰু টি আৰ বালু, ৰাষ্ট্ৰীয় জনতা দলৰ নেতা মনোজ ঝা আৰু চিপিআইৰ সাধাৰণ সম্পাদক ডি ৰাজাই শ্ৰদ্ধাঞ্জলি যাচে৷ কেৰালাৰ মুখ্যমন্ত্ৰী পিনাৰাই বিজয়ন আৰু তেওঁৰ প্ৰায় সকলো ৰাজ্যিক মন্ত্ৰী মুখ্য কাৰ্যালয়ত উপস্থিত থাকে। চীনৰ ৰাষ্ট্ৰদূত জু ফেইহং, ভিয়েটনামৰ ৰাষ্ট্ৰদূত নগুয়েন থান হে, ফিলিস্তিনি ৰাষ্ট্ৰদূত আদনান আবু আলহাইজা আৰু নেপালৰ প্ৰাক্তন প্ৰধানমন্ত্ৰী মাধৱ কুমাৰ নেপালেও শোক প্ৰকাশ কৰি শেষ শ্ৰদ্ধাঞ্জলি যাচে। ইতিহাসবিদ ৰোমিল্লা থাপাৰকে ধৰি কেইবাজনো শিক্ষাবিদে নাগৰিক সমাজৰ কেইবাজনো সদস্যই দলৰ মুখ্য কাৰ্যালয়ত য়েচুৰীক শেষ শ্ৰদ্ধাঞ্জলি যাচে। পলিট ব্যুৰোৰ আন এজন সদস্য হান্নান মোল্লাই য়েচুৰীয়ে এৰি যোৱা শূন্যতা বিৰোধীৰ সামূহিক নেতৃত্বৰ দ্বাৰাও পূৰণ কৰিব নোৱাৰি বুলি কয়। ১৯৮০ ৰ দশকৰ পৰা য়েচুৰীক চিনি পোৱা চিপিআই(এম)ৰ পশ্চিমবংগৰ সম্পাদক মহম্মদ চেলিমে কয় যে তেওঁ বিজেপিক ৰোধ কৰিবলৈ আৰু বাওঁশক্তিক একত্ৰিত কৰিবলৈ কৌশলগত নিৰ্বাচনী মিত্ৰতাৰ সৈতে দলটোৰ ৰাজনৈতিক পথ নিৰ্ধাৰণ কৰিছিল। চিপিআই(এম) পুনৰুজ্জীৱিত হোৱাৰ পথত। য়েচুৰীয়ে সদায় কৈছিল যে চিপিআই(এম)য়ে পশ্চিমবংগত পুনৰ ভৰি নোপোৱালৈকে সমগ্ৰ দেশতে পুনৰুজ্জীৱিত কৰিব নোৱাৰে। আমি পশ্চিমবংগত ঠিক সেই দিশত আগবাঢ়িছো। আমি লক্ষ্যত থাকিম। এইদৰে আজি শেষ বিদায়ৰ দিনটোত বাওপন্থী নেতাসকলৰ লগতে ভিন্ন মতাৰ্দশৰ আন দলৰ নেতাসকলেও য়েচুৰীক শেষ শ্ৰদ্ধা জনায়।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

## কচুতলিৰ বেদখলকাৰীক

অসম আৰক্ষী আৰু বেদখলকাৰীৰ মাজত লগা সংঘৰ্ষত দুজন স্থানীয় লোক নিহত হোৱাৰ লগতে ২৩ আৰক্ষী আহত হৈছে৷ এই ঘটনাৰ ফলত ৰাজ্যত ৰাজনীতি আৰম্ভ হৈছে৷ শুকুৰবাৰে সোণাপুৰ ৰাজহ চক্ৰৰ অন্তৰ্গত কচুতলিৰ উচ্ছেদস্থলীত ইউডিএফ দলৰ বিধায়ক আমিনুল ইছলাম, জনীয়াৰ বিধায়ক ৰফিকুল ইছলাম, দলগাঁৱৰ বিধায়ক মুজিবুৰ ৰহমান প্ৰৱেশ কৰি উত্তপ্ত পৰিস্থিতিৰ সৃষ্টি কৰে। তাৰ মাজতে সোণাপুৰ ৰাজহ চক্ৰৰ কাৰ্যালয়ে বিশেষ জাননী এখন প্ৰকাশ কৰিছে৷ সোণাপুৰৰ ট্ৰাইবেল বেল্ট আৰু ব্লক এলেকাত অবৈধভাৱে বসবাস কৰি থকা সকলো লোকক তিনিদিনৰ ভিতৰত ঘৰ খালী কৰিবলৈ নিৰ্দেশ দিছে৷ সোণাপুৰৰ চক্ৰ বিষয়াই শুকুৰবাৰৰ পৰা কাৰ্যকৰী হোৱাকৈ এই জাননী জাৰি কৰিছে। চক্ৰ বিষয়া নিতুল খাটনিয়াৰে জাননী যোগে প্ৰকাশ কৰা মতে, সোণাপুৰ ৰাজহ চক্ৰৰ অন্তৰ্গত কচুতলি অঞ্চলৰ ট্ৰাইবেল বেল্ট আৰু ব্লক এলেকাত অবৈধভাৱে বসবাস কৰি থকা লোকসকলে তিনিদিনৰ ভিতৰত ঘৰ খালী কৰিব লাগিব। তিনিদিন পিছত তেওঁলোকক উচ্ছেদ কৰা হ'ব। আনহাতে সোণাপুৰ ৰাজহ চক্ৰৰ চক্ৰ বিষয়াই উল্লেখ কৰা মতে, বৰ্তমান উচ্ছেদ অভিযান স্থগিত আছে যদিও যিসকলে পৰিয়ালে বৈধ প্ৰমাণ পত্ৰ দিব পাৰিব সেইসকলক ৰেহাই দিয়া হ'ব।

# উচ্ছেদথলীত কিশোৰীৰ গুপ্তাংগত গুলী, ৰাজ্যৰ ভিন্ন প্ৰান্তত মৃদু প্ৰতিক্ৰিয়া

## ‘বুলেটেৰে বলাৎকাৰ’ আখ্যা সচেতন মহলৰ

**ই-সংবাদ, ১৪ ছেপ্টেম্বৰঃ** সোণাপুৰৰ উচ্ছেদ আৰু দুজন লোক নিহত হোৱাৰ ঘটনাক লৈ ৰাজ্যত মৃদু প্ৰতিক্ৰিয়া অব্যাহত আছে। এগৰাকী কিশোৰীৰ গুপ্তাংগত গুলী লগাৰ অভিযোগক লৈ সামাজিক মাধ্যমত একাংশ লোকে প্ৰতিক্ৰিয়া প্ৰকাশ কৰা দেখা গৈছে। বিশিষ্ট কবি প্ৰণৱ কুমাৰে বৰ্মনে ফেচবুকত পোষ্ট দি এয়া বুলেটেৰে বলাৎকাৰ বুলি অভিহিতি কৰি আৰক্ষীৰ কাণ্ডক সমালোচনা কৰা দেখা গৈছে। আনহাতে কবি নীলিম কুমাৰেও ঘটনাক সমালোচনা কৰি কবি-সাহিত্যিকে এনে ঘটনাৰ প্ৰতিবাদ কিয় নকৰে বুলি প্ৰশ্ন উত্থাপন কৰিছে। বিশিষ্ট কাৰ্টুনিষ্ট নিতুপৰ্ণ ৰাজবংশীয়ে এখন কাৰ্টুনৰ জৰিয়তে প্ৰতিবাদ জনাইছে। অভিযোগ মতে, ১২ ছেপ্টেম্বৰত সোণাপুৰৰ কচুতলিত প্ৰশাসনে উচ্ছেদ অভিযান চলি থকাৰ সময়তে বেদখলকাৰীৰ সৈতে আৰক্ষীৰ সংঘাত হৈছিল। সংঘাটৰ সময়ত আৰক্ষীয়ে গুলীচালনা কৰিবলগীয়া হয়। আৰক্ষীৰ গুলীত দুজন স্থানীয় লোক নিহত হোৱাৰ লগতে এগৰাকী কিশোৰীৰ গুপ্তাংগত গুলী লাগে। এই সংঘাটত আৰক্ষীৰ কমেও ২৩ জন লোক আহত হৈছে। দুজন লোক নিহত হোৱাৰ লগতে কিশোৰীৰ গুপ্তাংগত গুলী লগা ঘটনাক সহজে ল’ব পৰা নাই সমাজ সচেতক লোকে। কিশোৰীক গুলীওৱা কাণ্ডক নিন্দা কৰি মানৱীয়তা ক’ত গ’ল প্ৰশ্ন উত্থাপন কৰিব ধৰিছে। একাংশ লোকে কিশোৰীৰ গুপ্তাংগত গুলীওৱা ঘটনাৰ তদন্ত দাবী কৰিছে।



বুলেটেৰে বলাৎকাৰ! কবি প্ৰণৱ কুমাৰ বৰ্মনে এই ফটোখনক লৈ এনেকৈয়ে লিখিলে সামাজিক মাধ্যমত

**উপস্থিত অসংখ্য গুণমুগ্ধ**

# সাংবাদিক সুৰজিৎ ভূঞাৰ স্মৃতিত শ্ৰদ্ধাঞ্জলি অনুষ্ঠান



**ই-সংবাদ, ১৪ছেপ্তেম্বৰঃ** যোৱা ৫ ছেপ্টেম্বৰত আকস্মিক মৃত্যুক সাৱটি লোৱা লখিমপুৰৰ জ্যেষ্ঠ সাংবাদিক তথা সাংস্কৃতিক কৰ্মী সুৰজিৎ ভূঞাৰ বাসগৃহত শনিবাৰে দহা(দহদিন) উপলক্ষে বিভিন্ন দল সংগঠন আৰু অনুষ্ঠান প্ৰতিষ্ঠানে গভীৰ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে । আজি দহা উপলক্ষে প্ৰয়াত ভূঞাৰ বাসগৃহত অনুষ্ঠিত হয় নাম কীৰ্তন তথা মাঙ্গলিক অনুষ্ঠান । আজিৰ দিনটোতে প্ৰয়াত ভূঞাৰ বাসগৃহত উপস্থিত হয় অসম বাৰ্তাজীৱী সংঘৰ এটি প্ৰতিনিধি দল । সংঘৰ ৰাজ্যিক সাধাৰণ সম্পাদক মুকুট ৰাজ শৰ্মাৰ নেতৃত্বত প্ৰচাৰ সম্পাদক অখিল কলিতা,কাৰ্যনিৰ্বাহক সদস্য দ্বয় ক্ৰমে প্ৰশান্ত মোদক,আশ্বিনি দুৱৰা, সংঘৰ উত্তৰ পূৱ মণ্ডলৰ সম্পাদক জগত বৰা আৰু সদস্য হেমন্ত ডেকা সহ দলটিয়ে সুৰজিৎ ভূঞাৰ প্ৰতিচ্ছবিত পুস্পাঞ্জলী অৰ্পণ কৰে । প্ৰতিনিধি দলটোৱে ভূঞাৰ পত্নী নমিতা বৰুৱা ভূঞা আৰু একমাত্ৰ কন্যা তক্ষশীলা ভূঞাৰ লগতে পৰিয়ালবৰ্গক সাক্ষাৎ কৰি ভূঞাৰ মৃত্যুত গভীৰ শোক প্ৰকাশ কৰাৰ লগতে শোক সন্তপ্ত পৰিয়ালবৰ্গলৈ গভীৰ সমবেদনা জ্ঞাপন কৰে । ৰাজ্যখনৰ সাংবাদিক সকলৰ ন্যায্যপ্ৰাপ্তি আৰু অধিকাৰৰ হকে দিৰ্ঘদিনে সংগ্ৰাম কৰি অহা ভূঞাই অসম বাৰ্তাজীৱী সংঘক গতিশীলতা প্ৰদান কৰাৰ ক্ষেত্ৰত উল্লেখযোগ্য ভুমিকা গ্ৰহণ কৰিছিল । ৰাষ্ট্ৰীয় পৰ্যায়ত অৰ্থাৎ ভাৰতীয় বাৰ্তাজীৱী মহাসংঘত অসমক প্ৰতিনিধিত্ব কৰি সাংবাদিকৰ ন্যায্য প্ৰাপ্তিৰ আন্দোলনক অনন্য মাত্ৰা প্ৰদান কৰিছিল বুলি শোকবাৰ্তাযোগে উল্লেখ কৰে সংঘৰ সভাপতি মধুসুধন মেধি আৰু সাধাৰণ সম্পাদক মুকুট ৰাজ শৰ্মাই । অনুষ্ঠানত লখিমপুৰ জিলা সাংবাদিক সংস্থাৰ হৈ বুবুল হাজৰিকা আৰু মনোজ বৰপাত্ৰগোঁহাইয়ো উপস্থিত থাকে । আনহাতে জিলাখনৰ কেইবাটাও সাংবাদিক , সাংস্কৃতিক সংগঠনৰ লগতে মহিলা সমিতিয়েও ভূঞালৈ শ্ৰদ্ধাঞ্জলী জ্ঞাপন কৰে ।

## পুনৰ মুখ্যমন্ত্ৰীৰ মুখত আলফাৰ প্ৰসংগ

# অসমত আলফাৰ পলিটিকেল এক্টিভিটি থাকক, মিলিটেণ্ট এক্টিভিটি নালাগে

**ই-সংবাদ, ১৪ ছেপ্টেম্বৰঃ** পুনৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ মুখত আলফা স্বাধীনৰ প্ৰসংগ শুনা গৈছে। মুখ্যমন্ত্ৰীক সাংবাদিকে সোধা প্ৰশ্নৰ উত্তৰ দিবলৈ গৈ আলফা স্বাধীনক প্ৰশংসা কৰে মুখ্যমন্ত্ৰীয়ে। অসমৰ ভালৰ বাবে কাম কৰে কিন্তু ৰাস্তা বেলেগ বেলেগ বুলি কয় মুখ্যমন্ত্ৰীগৰাকীয়ে। মুখ্যমন্ত্ৰীয়ে কয় যে পৰেশ বৰুৱা-আলফাই অসমৰ ভালৰ কাৰণে চিন্তা কৰে বুলি মই ধৰি লও। ৰাস্তা বেলেগ বেলেগ হ'ব পাৰে। কিন্তু তেওঁলোকৰ মনটো, তেওঁলোকৰ গান-ভিডিঅ' ৰেকৰ্ডিং দেখিলে আমি এইটোকে বুজি পাওঁ যে তেওঁলোকে অসম আৰু অসমীয়াক ভালপায়। লগতে মুখ্যমন্ত্ৰীয়ে ইয়াকো কয় যে যদি মই অসম আৰু অসমীয়াকে ভালপাওঁ, তেতিয়াহ'লে অসম আৰু অসমীয়াক বোমা দি কি লাভ হ'ব? যদি বোমা দিব লাগে বাহিৰত দিম। যদি আৰ্মীৰ কনভয়ত এটেক্ট কৰিব লাগে, আমি বেলেগ ঠাইত কৰিম। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই দিছপুৰ-যোৰহাটত বোমা দি কি লাভ হ'ব বুলি কৈ কয় যে অসমত আমি কিয় কৰিম? অসমৰ যদি দিছপুৰত বোমা দিও, যোৰহাটত বোমা দিও এফেক্ট কাৰ হ'ব? অসম আৰু অসমীয়াৰ হ'ব। গতিকে মই আহ্বান জনাম যে যিখন ৰাজ্যৰ বাবে আপোনালোকে মৰণপণ সংকল্প লৈছে, যিখন ৰাজ্যৰ বাবে দহ হাজাৰ লোক শ্বহীদ হৈছে। সেইখন ৰাজ্যত তেজৰ ফাকু খেলি কাৰ লাভ হ'ব। গতিকে এই কথাটো মই প্ৰথমৰ পৰাই কৈ আছো। মই ভাবো অসমত তেওঁলোকৰ পলিটিকেল এক্টিভিটী থাকক, বেয়া নাপাও। কিন্তু অসমত মিলিটেণ্ট এক্টিভিটি থাকিব নালাগে।



দুলীয়াজান ক্লাৱত অনুষ্ঠিত দ্বিতীয় সংখ্যক যুৱ সাংসদ প্ৰতিযোগিতাৰ উদ্বোধনী অনুষ্ঠানত সাংসদ গৌৰৱ গগৈ

# চহিদুলৰ অতপালি সহ্য কৰিব নোৱাৰি মৈৰাবাৰীত তীব্ৰ প্ৰতিবাদ

**ই সংবাদ, মৈৰাবাৰী ১৪ ছেপ্তেম্বৰঃ** আজি মৰিগাঁও জিলাৰ তাতিকাটা গাঁও পঞ্চায়ত কাৰ্যালয়ত উত্তাল প্ৰতিবাদ সাব্যস্ত কৰে দুই শতাধিক জব কাৰ্ড শ্ৰমিকে। কম্পিউটাৰ সহায়ক চহিদুল ইছলামৰ বিৰুদ্ধে প্ৰতিবাদ সাব্যস্ত কৰাত উত্তপ্ত পৰিস্থিতিৰ সৃষ্টি হয়। মৈৰাবাৰী উন্নয়ন খণ্ডৰ কৰ্মচাৰীয়ে পঞ্চায়ত কাৰ্যালয়ত উপস্থিত হৈ শ্ৰমিকসকলক বুজনি দিয়াত পৰিস্থিতি শাম কাটে। কম্পিউটাৰ সহায়ক চহিদুল ইছলামে শ্ৰমিকসকলৰ পৰা এম আই এছৰ নামত ১০০০ৰ পৰা ২০০০ টকা উৎকোচ বিচৰাৰ অভিযোগ উত্থাপন কৰি প্ৰতিবাদ সাব্যস্ত কৰে। শ্ৰমিক ঘোচ নিদিলে শ্ৰমিকৰ তালিকাৰ পৰা নাম কৰ্তন কৰাৰ ভাবুকি দিয়াৰ অভিযোগ উত্থাপিত হৈছে। চহিদুলক টকা নিব নোৱাৰাত দুখীয়া হিতিধীকাৰীৰ নাম জব কাৰ্ডৰ পৰা কৰ্তন কৰি দিয়াৰ অভিযোগ আনে একাংশ প্ৰতিবাদকাৰীয়ে। পি এম ৰাই এ ঘৰৰ হিতাধিকাৰীৰ জব কাৰ্ড থকাটো বাধ্যতামূলক যদিও কম্পিউটাৰ সহায়ক চহিদুল ইছলামৰ বাবে মৈৰাবাৰী উন্নয়ন খণ্ডৰ অন্তৰ্গত তাতিকাটা গাঁও পঞ্চায়তত ঘৰ লাভৰ পৰা বহু হিতাধিকাৰী বঞ্চিত হোৱাৰ অভিযোগ উঠিছে।

# অসম ডন বস্ক' বিশ্ববিদ্যালয়ৰ ত্ৰয়োদশ সমাৱৰ্তন সম্পন্ন

**গুৱাহাটী, ১৪ ছেপ্টেম্বৰঃ** উচ্চমানৰ শিক্ষাৰ জৰিয়তে একোজন সচেতন নাগৰিক গঢ় দিয়াৰ লক্ষ্যৰে শিক্ষাজগতত প্ৰৱেশ কৰা অসম ডন বস্ক' বিশ্ববিদ্যালয়ৰ ত্ৰয়োদশ সমাৱৰ্তন ১৪ ছেপ্টেম্বৰত টেপেচিয়া প্ৰাংগনত অনুষ্ঠিত হয়। সমাৱৰ্তনখনত মুখ্য অতিথিৰ আসন শুৱনি কৰে সৰ্বভাৰতীয় ফাৰ্মাচী পৰিষদৰ সভাপতি ড° মন্টুকুমাৰ এম পেটেলে। ইয়াৰ লগতে বিশ্ববিদ্যালয়খনৰ আচাৰ্য ফাডাৰ চেবাষ্টিয়ান মেথিউ, উপাচাৰ্য ফাডাৰ ( ড°) জ'চ পেলেলি, সম উপাচাৰ্য ফাডাৰ জোচেফ নেল্লানাট, বিশ্ববিদ্যালয়ৰ অন্তৰ্গত বিভিন্ন বিদ্যালয়ৰ সঞ্চালকসকল, বিভিন্ন বিভাগৰ মুৰব্বীসকল, শিক্ষকবৃন্দ, শিক্ষাৰ্থীসকল আৰু সমাজৰ বিভিন্ন ক্ষেত্ৰৰ বিশিষ্ট তথা গণ্যমান্য ব্যক্তিসকলে সমাৱৰ্তনখনত অংশগ্ৰহণ কৰে।
সমাৱৰ্তনখনিত ৩২ জন গৱেষকক ডক্টৰেট উপাধি প্ৰদান কৰাৰ লগতে বিজ্ঞান, কলা, বাণিজ্য, প্ৰযুক্তিবিদ্যা, মানৱীয় বিজ্ঞান, ব্যৱস্থাপনাৰ বিভিন্ন বিষয়ত সৰ্বমুঠ ১৩১৬ জন শিক্ষাৰ্থীক স্নাতক আৰু স্নাতকোত্তৰ উপাধি প্ৰদান কৰা হয়। ইয়াৰে ভিতৰত ৫৮১ জনক স্নাতক আৰু ৬১৩ জনক স্নাতকোত্তৰ উপাধি প্ৰদান কৰা হয়। বিশ্বৰ বিভিন্ন প্ৰান্তৰপৰা ২০ জন শিক্ষাৰ্থীয়ে সমাৱৰ্তনখনত অনলাইনযোগে অংশগ্ৰহণ কৰে। প্ৰতিটো বিভাগতে সৰ্ব্বোচ্চ নম্বৰপ্ৰাপ্ত মুঠ ৩৯ জন শিক্ষাৰ্থীক সোণৰ পদক প্ৰদান কৰা হয়। স্নাতকোত্তৰ পাঠ্যক্ৰমত সৰ্ব্বোচ্চ নম্বৰপ্ৰাপ্ত ৰসায়ন বিদ্যা বিভাগৰ প্ৰত্যাশী চেতিয়াক শ্ৰেষ্ঠ স্নাতকোত্তৰ শিক্ষাৰ্থীৰ বাবে আাচাৰ্য পদক আৰু স্নাতক পাঠ্যক্ৰমত সৰ্ব্বোচ্চ নম্বৰপ্ৰাপ্ত গণিত বিভাগৰ দীক্ষা মজুমদাৰক শ্ৰেষ্ঠ স্নাতক শিক্ষাৰ্থীৰ বাবে উপাচাৰ্যৰ পদক প্ৰদান কৰা হয়। বিশেষভাৱে প্ৰদান কৰা বঁটাসমূহৰ ভিতৰত, শিক্ষা, সামাজিক দায়বদ্ধতা, নেতৃত্বৰ ভূমিকা আৰু পাঠ্যক্ৰম আৰু পাঠ্যক্ৰমৰ বহিৰ্ভূত কাৰ্যকলাপত ব্যতিক্ৰমী প্ৰতিভাৰ বাবে স্নাতক শাখাৰ পৰা কম্পিউটাৰ বিজ্ঞান আৰু অভিযান্ত্ৰিক বিভাগৰ আকাশ বেনাৰ্জীক 'ফাদাৰ ষ্টিফেন মাভেলী সোণৰ পদক' প্ৰদান কৰা হয় আৰু স্নাতকোত্তৰ শাখাৰ পৰা মনোবিজ্ঞান বিভাগৰ মন্টেৰিঅ এমব্ৰছ বস্ক' জ'নক 'জে এন বাউৰী ব্যতিক্ৰমী পদক' প্ৰদান কৰা হয় । মনস্তাত্বিক দিশত পৰামৰ্শৰ জৰিয়তে সমাজলৈ আগবঢ়োৱা অৱদানৰ বাবে মনোবিজ্ঞান বিভাগৰ মেৰাচেন না জামিৰক পাৰ্থ ডে সোণৰ পদক প্ৰদান কৰা হয়। সমাৱৰ্তনখনৰ আদৰণি ভাষণ প্ৰদান কৰি উপাচাৰ্য ফাডাৰ ( ড°) জ'চ পেলেলিয়ে শিক্ষাৰ্থীসকলক অভিনন্দন জনায় আৰু তেওঁ তেওঁলোকক তেওঁলোকে কৰা কামৰ প্ৰতি উৎসাহী হ'বলৈ, তেওঁলোকৰ লক্ষ্যস্থানত উপনীত হোৱাত গুৰুত্ব দিবলৈ, উৎসাহিত কৰে। ৰাষ্ট্ৰীয় সংগীত পৰিৱেশনৰ জৰিয়তে সমাৱৰ্তনখনৰ সামৰণি পৰে।

## হত্যাকাৰী পত্নী-প্ৰেমিকক ফাঁচি দিয়াৰ দাবীৰে উত্তাল চাবুৱা থানা

# প্ৰেমিকৰ সৈতে মিলি পত্নীয়ে হত্যা কৰিছিল মাধুৰ্যক বৰুৱাক

**ই-সংবাদ, ১৪ ছেপ্টেম্বৰঃ** জলসম্পদ বিভাগৰ কৰ্মচাৰী মাধুৰ্য বৰুৱাৰ হত্যাকাণ্ডই জোকাৰি গৈছে সমগ্ৰ উজনি অসমক৷ নিজ পত্নীয়ে প্ৰেমিকৰ সৈতে লগলাগি মাধুৰ্য বৰুৱাক হত্যা কৰাৰ তথ্য পোহৰলৈ অহাৰ পাছতে আজি ডিব্ৰুগড়ৰ চাবুৱা আৰক্ষী থানাত উত্তপ্ত পৰিস্থিতিৰ সৃষ্টি হয়৷ প্ৰহেলিকা বৰুৱাৰ হত্যাকাণ্ডত প্ৰেমিক ময়ুন্ত গগৈ আৰু ভাস্কৰ শইকীয়াই সহায় কৰিছিল বুলি অভিযোগ উত্থাপিত হৈছে৷ আৰক্ষীয়ে মাধুৰ্য বৰুৱাৰ হত্যাৰ সৈতে জড়িত থকা বুলি অভিযোগ উঠা পত্নী আৰু দুই সহযোগীক গ্ৰেপ্তাৰৰ পাছতে চাবুৱা জেৰাই গাঁৱৰ উত্তেজিত ৰাইজে চাবুৱা আৰক্ষী থানা ঘেৰাও কৰে৷ চাবুৱা আৰক্ষী থানা থানাত ভিৰ কৰি ৰাইজে দোষীক কঠোৰ শাস্তিৰ দাবী জনায়৷ ৰাইজে বিভিন্ন শ্ল’গান প্ৰদান কৰি ৰাজপথ অৱৰোধ কৰি আকাশ-বতাহ কপাই তোলে৷ আৰক্ষীয়ে উত্তেজিত ৰাইজক নিয়ন্ত্ৰণ কৰিবলৈ দীৰ্ঘ সময় প্ৰয়াস কৰিবলগীয়া হয়৷ পাছত আৰক্ষীয়ে প্ৰহেলিকা বৰুৱা, ময়ুন্ত গগৈ আৰু ভাস্কৰ শইকীয়াক কঠোৰ শাস্তি বিহাৰ আশ্বাস প্ৰদান কৰাত পৰিস্থিতি ক্ষান্ত হয়৷ উল্লেখ্য যে, ডিব্ৰুগড় জিলাৰ চাবুৱা জেৰাই গাঁৱত ১০ ছেপ্টেম্বৰত



নৃশংস হত্যাকাণ্ড সংঘটিত হৈছিল। নিশা ঘৰৰ ভিতৰতে চোকা অস্ত্ৰৰে দুৰ্বৃত্তই হত্যা কৰিছিল জলসম্পদ বিভাগৰ কৰ্মচাৰী মাধুৰ্য বৰুৱাক। অমায়িক ভদ্ৰ জলসম্পদ বিভাগৰ কৰ্মচাৰীক শোৱা পাটীতে দুৰ্বৃত্তই হত্যা কৰে। পত্নী আৰু কণমানি কন্যাৰ সন্মুখত চোকা অস্ত্ৰ আৰু ধুমুচেৰে মূৰত আঘাত কৰি নিৰ্মমভাৱে হত্যা কৰা হৈছিল মাধুৰ্য বৰুৱাক। নিশা শুই থকা অৱস্থাত দুৰ্বৃত্তই হত্যা কৰাৰ পাছতেই স্থানীয় ৰাইজে হত্যাকাণ্ডত পৰিয়ালৰ লোক জড়িত থাকিব পাৰে বুলি সন্দেহ কৰিছিল। আৰক্ষীয়ে তদন্ত আৰম্ভ কৰিছিল। ছীল কৰিছিল গৃহটো। মাধুৰ্য বৰুৱাৰ পত্নীৰ লগতে পৰিয়ালৰ বিভিন্নজনক জেৰা চলাইছিল চাবুৱা আৰক্ষীয়ে। চাবুৱা আৰক্ষীয়ে নিশাই মাধুৰ্য্য বৰুৱাৰ পত্নী প্ৰহেলিকা বৰুৱা, ময়ুন্ত গগৈ আৰু ভাস্কৰ শইকীয়াক গ্ৰেপ্তাৰ কৰিছে। পত্নী প্ৰহেলিকা বৰুৱাই সু-নিৰ্দিষ্ট পৰিকল্পনাৰে স্বামী মাধুৰ্য বৰুৱাক হত্যা কৰিছিল বুলি অভিযোগ উঠিছে। নিজ স্বামীক পৰকীয়া প্ৰেমৰ বাবেই হত্যা কৰা বুলি স্থানীয় লোকসকলে অভিযোগ কৰা দেখা গৈছে। ডিব্ৰুগড়স্থিত জলসম্পদ বিভাগৰ মাণ্ডলিক কাৰ্যালয়ৰ কৰ্মচাৰী মাধুৰ্য বৰুৱা সহজ, অমায়িক ব্যক্তি আছিল।

## কোকৰাঝাৰত দুই শতাধিকৰ বিপিএফত যোগদান

**ই-সংবাদ, ১৪ ছেপ্তেম্বৰঃ** ইউপিপিএল আৰু বিপিএফ দলৰ মাজত একত্ৰীকৰণক লৈ ব্যাপক জল্পনা কল্পনা চলি থকাৰ মাজতে শনিবাৰে কোকৰাঝাৰত বিপিএফৰ এক বিশাল যোগদান সমাৰোহ অনুষ্ঠিত হয় ৷ এই উপলক্ষে কোকৰাঝাৰস্থিত বিপিএফৰ দলৰ কেন্দ্ৰীয় মুখ্য কাৰ্যালয়ত আয়োজিত এক বিশাল যোগদান সমাৰোহত বিভিন্ন দলৰ পৰা ২৭৬ গৰাকী পুৰুষ মহিলাই আনুষ্ঠানিকভাৱে বিপিএফ দলত যোগদান কৰে । বিপিএফৰ কেন্দ্ৰীয় উপ-সভানেত্ৰী তথা প্ৰাক্তন মন্ত্ৰী প্ৰমিলা ৰাণী ব্ৰহ্মৰ উপস্থিতিত অনুষ্ঠিত হোৱা যোগদান সমাৰোহত জিলা বিপিএফৰ সভাপতি তথা পাৰিষদ দেৰহাছাৎ বসুমতাৰী, যুৱ বিপিএফৰ কেন্দ্ৰীয় সম্পাদক কাষ্টম বসুমতাৰী আৰু মহিলা কোষৰ নেতৃত্ববৃন্দ উপস্থিত থাকে ৷ যোগদান সমাৰোহত বিভিন্ন দলৰ পৰা আনুষ্ঠানিকভাৱে বিপিএফত যোগদান কৰা ২৭৬ গৰাকী নেতা-কৰ্মীক আৰনাইৰে আদৰণি জনায়। বিপিএফ দলত যোগদান কৰা সকলোকে আদৰণি জনাই বিপিএফৰ জ্যেষ্ঠ নেত্ৰী প্ৰমিলা ৰাণী ব্ৰহ্মই কয় যে এয়া বিপিএফ দলৰ প্ৰতি থকা ৰাইজৰ মৰম আৰু আস্থাকে সূচাইছে ৷ তেওঁ হাগ্ৰামা মহিলাৰী নেতৃত্বাধীন বিপিএফ দলক অধিক শক্তিশালী কৰাৰ বাবে আজি কোকৰাঝাৰত সদলবলে যোগদান কৰাটো বিপিএফ দলৰ বাবে শুভলক্ষণ বুলি মন্তব্য কৰে ৷ উল্লেখ কৰা প্ৰয়োজন যে, শেহতীয়াকৈ বড়ো ভূমিত বিপিএফৰ প্ৰতি যথেষ্ট লোক আকৰ্ষিত হোৱা দেখা গৈছে।



কিহৰ ইংগিত! হায়দৰাবাদত এম জি ভি কে ভানুৰ সৈতে প্ৰদেশ কংগ্ৰেছৰ সভাপতি ভূপেন বৰা

## দৈগ্ৰোঙত একেলগে জ্বলিল মাতৃ-পুত্ৰৰ চিতা

**ই-সংবাদ, ১৪ছেপ্তেম্বৰঃ** নুমলীগড়ৰ কাষৰীয়া দৈগ্ৰোঙত সংঘটিত হৈছে কৰুণ ঘটনা। একেটা ঘৰতে একেলগে জ্বলিল মাতৃ-পুত্ৰৰ মৃতদেহ। অঞ্জনা গড় নামৰ এগৰাকী মহিলা অসুস্থ হৈ থকাৰ পিছত শুকুৰবাৰে চিকিৎসালয়লৈ নিয়াৰ পথতেই মৃত্যু হোৱাৰ পিছত পুত্ৰ নগেণ গড় নিশা অসুস্থ হৈ পৰিছিল। অতি দুখীয়া পৰিয়ালটোৱে চিকিৎসাৰ বাবে ১০৮ মৃত্যুঞ্জয় সেৱাক ফোন কৰিছিল যদিও ১০৮ তেওঁলোকৰ ঘৰত উপস্থিত নোহোৱাৰ অভিযোগ কৰে। ইয়াৰ ফলত অৱশেষত নিজ ঘৰতেই চিকিৎসাৰ অভাৱত মৃত্যু হোৱা মহিলাগৰাকীৰ পুত্ৰ নগেন গড়েও মৃত্যুক আকোঁৱালি ল'ব লগা হয়।

## সাতামপুৰুষীয়া ঐক্য ধ্বংস কৰিলে হিমন্ত বিশ্বই: প্ৰদ্যুত বৰদলৈ

# মৰিগাঁও কংগ্ৰেছৰ সভাপতিৰ দায়িত্ব ল'লে ৰমেশ চন্দ্ৰ বৰদলৈয়ে

**ই-সংবাদ, মৰিগাঁওঃ** “মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই হঠাৎ পেট্ৰিয়ত হৈ অসমবাসীক দুটা ফৈদত বিভক্ত কৰিলে। হিন্দু-মুছলমানৰ ৰাজনীতিৰে ৰাজ্যখনক বিভক্ত কৰি মহাপুৰুষ শংকৰদেৱ সৃষ্ট সাতামপুৰুষীয়া ঐক্য আৰু সম্প্ৰীতিৰ বৃহত্তৰ সমাজখনক লাহে লাহে চাৰখাৰ কৰিববৈলে আগবাঢ়িছে। ধৰ্মান্ধৰ কাণি খুৱাই অসমবাসীক অৱশ কৰাই দুষ্ট বুদ্ধিৰে পক্ষপাত দুষ্ট আৰু বৈষম্যৰ বিষবাষ্প বিয়পাবলৈ আৰম্ভ কৰিছে।” মৰিগাঁও জিলা কংগ্ৰেছৰ নৱ নিযুক্ত সভাপতি ৰমেশ চন্দ্ৰ বৰদলৈৰ কাৰ্যভাৰ গ্ৰহণ কাৰ্যসূচীত অংশ লৈ নগাঁও সমষ্টিৰ সাংসদ প্ৰদ্যুৎ বৰদলৈয়ে এই মন্তব্য প্ৰকাশ কৰিছে। মৰিগাঁও জিলা কংগ্ৰেছৰ কাৰ্যালয়ত অনুষ্ঠিত সভাত অংশগ্ৰহণ কৰি সাংসদ প্ৰদ্যুৎ বৰদলৈয়ে আৰু কয় “নিজৰ সম্পত্তি আহৰণৰ প্ৰতিযোগিতাত নামি পৰা মুখ্যমন্ত্ৰীগৰাকীয়ে হয়তু দুবছৰৰ পিছতে আদানিকো চেৰ পেলাই ধনী ব্যক্তিৰ তালিকাত নিজৰ নাম অন্তৰ্ভুক্ত কৰিব। হিন্দু-মুছলমানৰ ৰাজনীতিক প্ৰাধান্য দিয়া মুখ্যমন্ত্ৰীগৰাকীয়ে ৰাজ্যৰ আন আন সমস্যাসমূহৰ পৰা কৌশলেৰে আতৰি আছে। ধন ধাৰলৈ লোৱা অৰ্থনৈতিক ব্যৱস্থাৰে অসমক লাওলোৱা অৱস্থা কৰিববৈলে তেওঁ উঠি পৰি লাগিছে।” জিলা কংগ্ৰেছৰ নৱ নিযুক্ত সভাপতি ৰমেশ চন্দ্ৰ বৰদলৈৰ সভাপতিত্বত অনুষ্ঠিত সভাখনত অংশগ্ৰহণ কৰি অসম প্ৰদেশ মহিলা কংগ্ৰেছৰ সভানেত্ৰী মীৰা বৰঠাকুৰে কয় “মুখ্যমন্ত্ৰীৰ ড০ হিমন্ত বিশ্ব শৰ্মাক এতিয়া কংগ্ৰেছৰ ভূতে খেদি ফুৰিছে। তেওঁ এক অতৃপ্ত আত্মাৰ লেখীয়া হৈ পৰিছে। অসমবাসীক হিন্দু-মুছলমানেৰে ভাগ ভাগ কৰিও শান্ত নহৈ উচ্ছেদৰ নামত বহু লোকক অঘৰী কৰিলে।পাপে ঘেৰি ধৰা ড০ শৰ্মাই ইয়াৰ ফল ‘২৬ৰ বিধানসভাৰ নিৰ্বাচনত ভোগ কৰিব বুলি কংগ্ৰেছ নেত্ৰীগৰাকীয়ে মন্তব্য কৰে। সভাত লাহৰীঘাট সমষ্টিৰ বিধায়ক ডা০ আচিফ নাজাৰ, প্ৰদেশ কংগ্ৰেছৰ সাধাৰণ সম্পাদক দেৱ চেতিয়া, আনোৱাৰ হুছেইন, জ্যেষ্ঠ মুখপাত্ৰ ইমদাদ হুছেইন, জ্যেষ্ঠ নেতা স্বপন মণ্ডল, মুনীন্দ্ৰ বৰা, সীমান্ত হাজৰিকা, চাহনাজ খানম, শশীমোহন বিশ্বাস, মকিবুৰ ৰহমান উপস্থিত থাকে। পুৱাৰ ভাগত জিলা কংগ্ৰেছৰ নৱ নিযুক্ত সভাপতি ৰমেশ চন্দ্ৰ বৰদলৈ আৰু সাংসদ প্ৰদ্যুৎ বৰদলৈক জিলাখনৰ বাচনাঘাটৰ পৰা এক বিশাল সমদল কৰি ঢোলে-ডগৰে আদৰি আনে কংগ্ৰেছ কৰ্মীসকলে।

• ইউনিক বৰা ফটোগ্ৰাফী ইনষ্টিটিউট •
UniqueBorah.Com
• অসমীয়া মাধ্যমত শিকক ফটোগ্ৰাফী আৰু ইডিটিংৰ প্ৰতিটো কথা •
88764 90887
• গুৱাহাটীত অৱস্থিত উন্নত মানদণ্ডৰ ষ্টুডিঅ'ত শিক্ষা গ্ৰহণৰ সুবিধা •
নামভৰ্তিৰ বাবে ওপৰৰ নংত যোগাযোগ কৰক।
• আসন সীমিত, শীঘ্ৰেই যোগাযোগ কৰক •

শেষ পৃষ্ঠা

# দুভৰিৰ যাদু দেখুওৱা অসমৰ মাৰাডোনা আৰু নাই

**ই-সংবাদ, ১৪ ছেপ্টেম্বৰঃ** সত্তৰ, আশীৰ দশকত তেওঁ আছিল অসমৰ মাৰাডোনা। ফুটবল বুলি কলেই অসমৰ মাৰাডোনাৰ নাম উচ্চাৰণ হ'ব ধৰিছিল। তেওঁৰ দুভৰিৰ যাদুত খেলপথাৰত ফুটবল প্ৰেমীয়ে চিঞৰি উঠিছিল। ৰাজ্যৰ কিংবদন্তী ফুটবলাৰ, অসম ফুটবল দলৰ প্ৰাক্তন অধিনায়ক তথা ৰাষ্ট্ৰীয় ফুটবল খেলুৱৈ টচেন বৰাই শনিবাৰে পুৱতি নিশা জীৱন নাট সামৰে। ডিব্ৰুগড়ত চিকিৎসাধীন অৱস্থাত শেষ নিশ্বাস ত্যাগ কৰে। উচ্চ ৰক্তচাপত জনিত ৰোগৰ বাবে ৭ ছেপ্টেম্বৰত হাস্পতালত ভৰ্তি হৈছিল টচেন বৰা। চিকিৎসকৰ দলে চিকিৎসা কৰি আছিল যদিও শনিবাৰে পুৱতি নিশা মৃত্যুক আকোৱালি লয়। ২০০৫ চনত নামৰূপ সাৰ কাৰখানাৰ মুখ্য প্ৰশাসনিক বিষয়া হিচাপে অৱসৰ গ্ৰহণ কৰা টচেন বৰা মেধা ছাত্ৰ আছিল। ১৯৫০ চনৰ ১৪ ফেব্ৰুৱাৰীত নাহৰকটীয়াত জন্মগ্ৰহণ কৰা বৰাই ডিব্ৰুগড়ৰ কানৈ মহাবিদ্যালয়ত প্ৰাক-স্নাতক, কটন কলেজৰ পৰা স্নাতক আৰু গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা স্নাতকোত্তৰ ডিগ্ৰী লৈছিল। কিন্তু শৈক্ষিক জীৱন আৰম্ভ কৰাৰ পৰাই ফুটবলৰ প্ৰেমত পৰিছিল। কৈশোৰ অৱস্থাৰ পৰাই ফুটবলৰ প্ৰতি আগ্ৰহী বৰাই শিক্ষা গ্ৰহণৰ সমানে ফুটবল খেলি গৈছিল। গুৱাহাটী বিশ্ববিদ্যালয়ত অধ্যয়ন কৰি থকাৰ সময়ত গুৱাহাটী বিশ্ববিদ্যালয় ফুটবল দলৰ কেপ্টেইন আছিল। মহাৰণা ক্লাবৰ হৈ খেলা টচেন বড়াই ১৯৭১-৭২ চনৰ প্ৰি-অলিম্পিক খেলত অংশগ্ৰহণ কৰিছিল। ১৯৭২ চনত ৰাছিয়া, ৰেংগুনত ভাৰতক প্ৰতিনিধিত্ব কৰিছিল। অসম ফুটবল দলৰ অধিনায়কৰ দায়িত্ব লোৱাৰ লগতে সন্তোষ ট্ৰফীত ৭ বাৰকৈ অংশগ্ৰহণ কৰাই নহয় তিনিবাৰ নিজেই কেপ্টেইন আছিল। অসম আৰক্ষী, অইল, সাৰ কাৰখানা ফুটবল দল, ইলেভেন ষ্টাৰ ফুটবল দলৰ প্ৰশিক্ষকৰ দায়িত্ব পালন কৰিছিল।

# কচুতলীৰ ঘটনাৰ প্ৰতিবাদত কোকৰাঝাৰত এবিএমছুৰ প্ৰতিবাদ

**ই-সংবাদ, কোকৰাঝাৰ, ১৪ ছেপ্টেম্বৰঃ** সোণাপুৰৰ কচুতলীত উচ্ছেদৰ নামত সংঘটিত কৰা অমানবীয় গুলীচালনাৰ প্ৰতিবাদত আজি এবিএমছুৱে কোকৰাঝাৰত বিক্ষোভ কাৰ্যসূচী প্ৰদৰ্শন কৰে। এবিএমছুৰ কেন্দ্ৰীয় কমিটিৰ উদ্যোগত আজি কোকৰাঝাৰ জিলা এবিএমছুৰ সহযোগত কোকৰাঝাৰস্থিত এবিএমছুৰ কেন্দ্ৰীয় কাৰ্যালয় ভোটগাওঁত বিক্ষোভ কাৰ্যসূচী সম্পন্ন হয়। এবিএমছুৰ কেন্দ্ৰীয় সাধাৰণ সম্পাদক জাইদুল শ্বেখৰ নেতৃত্বত অনুষ্ঠিত হোৱা বিক্ষোভ কাৰ্যসূচীত বিক্ষোভকাৰীসকলে অসম চৰকাৰ হায় হায়, বিজেপি চৰকাৰ মুৰ্দাবাদ, উচ্ছেদ বন্ধ কৰক, পুনৰসংস্থাপনৰ ব্যৱস্থা কৰক আদি ইত্যাদি শ্লোগানেৰে পৰিৱেশ উত্তাল কৰি তোলে। ধৰ্ণা-বিক্ষোভ কাৰ্যসূচীৰ অন্তত এবিএমছুৰ কেন্দ্ৰীয় সাধাৰণ সম্পাদক জাইদুল শ্বেখে কয় যে মুখ্যমন্ত্ৰী হিচাপে হিমন্ত বিশ্ব শৰ্মাই দায়িত্বভাৰ লোৱাৰ পিছৰে পৰা ধৰ্মীয় সংখ্যালঘু জনতা নিৰাপত্তাহীনতাত ভুগিছে। তিলতিলকৈ ধৰ্মীয় সংখ্যালঘুক নি:শেষ কৰাৰ পৰিকল্পনা মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই গ্ৰহণ কৰিছে বুলি মন্তব্য কৰি জাইদুল শ্বেখে কয় যে ইয়াৰ অংশস্বৰূপে গৰুখুটি, নগাঁও, কাজিৰঙাৰ পিছত এইবাৰ কচুতলীত অমানবীয় উচ্ছেদ চৰকাৰে আৰম্ভ কৰিছে। নিৰ্বাচিত চৰকাৰ এখনে সকলো জনতাৰ অন্ন-বস্ত্ৰ-বাসস্থানৰ ব্যৱস্থা কৰাটো নৈতিক দায়িত্ব যদিও সংবিধানৰ নামত শপত খোৱাৰ পিছতো মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই প্ৰতিনিয়ত ধৰ্মীয় সংখ্যালঘু জনতাক টাৰ্গেট কৰি লোৱাটো অতি দুৰ্ভাগ্যজনক বুলি মন্তব্য কৰিছে এবিএমছুৰ সাধাৰণ সম্পাদক জাইদুল শ্বেখে। ধৰ্মীয় সংখ্যালঘু জনতাক নিৰ্বিচাৰ অত্যাচাৰ কৰি থাকিলে সকলো ধৰ্মীয় সংখ্যালঘু জনতা ৰাজপথলৈ ওলাই আহিবলৈ বাধ্য হ'ব বুলি মন্তব্য কৰি জাইদুল শ্বেখে কয় যে ইয়াতেই জন্মগ্ৰহণ কৰি ইয়াৰেই বায়ু, পানী সেৱন কৰি অসমীয়া সংস্কৃতিৰ সতে একাত্ম হোৱাৰ পিছতো যদি ভাৰতীয় নাগৰিক হিচাপে গণ্য নকৰে তেনেহলে




সকলো সংখ্যালঘুক জনতাক শাৰী পাতি আৰক্ষীৰ বাহিনীৰ দ্বাৰা গুলীয়াই হত্যা কৰিবলৈ আহ্বান জনাইছে। তিলতিলকৈ মৰাতকৈ একেলগে মৰাই শ্ৰেয় বুলি আৱেগভৰা মন্তব্য কৰি জাইদুল শ্বেখে কয় যে যদিহে মুখ্যমন্ত্ৰীয়ে ধৰ্মীয় সংখ্যালঘু জনতা অসমত বসবাস কৰাৰ অধিকাৰ নাই বুলি কয় তেনেহলে তেওঁলোক সকলোৱেই একেলগে মৰিবলৈ সাজু আৰু তেতিয়াই তেওঁলোকক অসম চৰকাৰৰ আৰক্ষী বাহিনীয়ে শাৰী পতাই গুলীয়াই হত্যা কৰিব পাৰিব বুলি মন্তব্য কৰিছে জাইদুল শ্বেখে। ইপিনে কচুতলীৰ উচ্ছেদৰ নামত দুজনকৈ লোক নিহত আৰু কেবাগৰাকী আহত হোৱাৰ লগতে আন কেবাগৰাকী লোক এতিয়াও সন্ধানহীন হৈ আছে বুলি মন্তব্য কৰিছে এবিএমছুৱে। ধৰ্মীয় সংখ্যালঘু জনতাৰ ওপৰত ৰাজ্যত আৰম্ভ হোৱা ধাৰাবাহিক নিৰ্যাতন, অত্যাচাৰ আৰু অমানবীয় ঘটনাৰ প্ৰতিবাদত অহা ১৪ নৱেম্বৰত দিল্লীৰ যন্তৰ-মন্তৰত এবিএমছুৱে ধৰ্ণা কাৰ্যসূচী ৰূপায়ন কৰি প্ৰধানমন্ত্ৰী আৰু ৰাষ্ট্ৰপতিলৈ স্মাৰকপত্ৰ প্ৰেৰণ কৰিব বুলি সদৰি কৰিছে এবিএমছুৰ কেন্দ্ৰীয় সাধাৰণ সম্পাদক জাইদুল শ্বেখে। আজিৰ ধৰ্ণা কাৰ্যসূচীত এবিএমছুৰ জিলা সভাপতি নজৰুল ইছলাম, সম্পাদক ছেলিম শ্বেখ সহিতে সন্থাৰ আন নেতৃবৰ্গৰ লগতে শতাধিক সমৰ্থক উপস্থিত আছিল।

ALLEN EDUCARE
HOUSE NO.: 4, GUWAHATI COLLEGE ROAD,
JYOTINAGAR (NEAR PUB GUWAHATI HIGH SCHOOL)
COMPUTER & MONTESSORY TEACHER TRAINING COURSE
COMPUTER
BCA
DCA
PGDCA
DTP
ADCA
MONTESSORY TEACHER TRAINING COURSE
LESSON PLANS
PRESENTATION CLASS
INTERVIEW SESSION
MOTOR SKILL DEVELOPMENT
HOW TO CREATE PROFESSIONAL BIO DATA
PLACEMENT 100% GUARANTEE
CONTACT US +91 78965-45243
ADMISSION GOING ON

newsnextone.comৰ দ্বাৰা গুৱাহাটীৰ পৰা অনলাইনযোগে প্ৰকাশিত আৰু News Next Oneৰ কাৰ্যবাহী সম্পাদক ধ্ৰুৱজ্যোতি ধনন্তৰিৰ দ্বাৰা সম্পাদিত। ই-মেইলঃ newsnextne@gmail.com, যোগাযোগ/হোৱাটছএপ নম্বৰঃ ৯৩৬৫২২৫২৪৮ | বাৰ্তা সম্পাদকঃ ওৱাহেদৰ ৰহমান